# পাতি ৰাভাসকলৰ পৰিৱেশ্য কলা ঃ তুকুৰীয়া ওজাপালি

✍ দীপিকা ৰাভা*

**০.১ অৱতৰণিকা ঃ**

পৃথিৱীৰ বিভিন্ন ভাষা গোষ্ঠীৰ ভিতৰত মংগোলীয় গোষ্ঠীয়ো এটা বৃহত্তম ভাষা গোষ্ঠী। বিভিন্ন সময়ত এই লোকসকল অসমত প্ৰব্ৰজন ঘটিছিল। বৃহত্তৰ অসমৰ জাতি গঠন প্ৰক্ৰিয়াত এই মংগোলীয়সকলৰ অৱদান অনস্বীকাৰ্য। এই গোষ্ঠীৰ বড়ো শাখাৰ অন্তৰ্গত এটা উপ-শাখা হ'ল ৰাভাভাষী লোকসকল। নৃতাত্ত্বিক বিচাৰত ৰাভাসকল মংগোলীয় আৰু ভাষাতাত্বিক দৃষ্টিত চীন-তিব্বতীয় ভাষা পৰিয়ালৰ অন্তৰ্গত। অসমত বাস কৰা জনজাতীয় লোকসকলৰ দৰে 'ৰাভা' ও মংগোলীয় ফৈদৰ বড়ো গোষ্ঠীৰেই এটি জনজাতি বুলি বিভিন্ন পণ্ডিত মণ্ডলীৰ দ্বাৰা স্বীকৃত।[১] বাৰেবৰণীয়া কলা-সংস্কৃতি, সাহিত্য, নৃত্য-গীত ভাষাৰে পৰিপূৰ্ণ এটি স্বকীয় জাতি। বিশেষকৈ অসমৰ কামৰূপ,গোৱালপাৰা এই দুখন জিলাত এওঁলোকৰ বসতি সৰ্বাধিক। এই দুখন জিলাৰ উপৰিও কোক্ৰাঝাৰ, ধুবুৰী, দৰং, বঙাইগাঁও, নগাঁও আদি জিলাতো কম বেছি পৰিমানে ৰাভা লোকসকল বসতি কৰি আছে। ৰাভাসকলৰ কেইবাটাও ঠাল আছে। যেনে- ৰংদানী, মাইতৰী, পাতি, দাহুৰী, মদাহী, টোট্‌লা, হানা, বিটিলিয়া আৰু কোচ্চা বা কোচ। এই ঠালসমূহৰ ভিতৰত কেৱল ৰংদানী, মাইতৰী আৰু কোচসকলৰ মাজতহে ৰাভা ভাষা বা দোৱান প্ৰচলিত হৈ আছে।

অসমৰ কামৰূপ (বিশেষকৈ দক্ষিণ কামৰূপ) আৰু গোৱালপাৰা এই দুখন বিভিন্ন

---

*সহকাৰী অধ্যাপিকা, বিকালী মহাবিদ্যালয়

জাতি জনগোষ্ঠীৰ বসতি প্ৰধান জিলা। বৰ্তমান এই দুখন জিলাক সামৰি 'ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদ' গঠিত হৈছে। জিলা দুখন ৰাভাসকলৰ প্ৰধান বসতি স্থল। বিশেষকৈ ৰাভাসকলৰ এটা ঠাল হ'ল পাতি ৰাভা আৰু এই ঠালটোৱে এই দুখন জিলাত প্ৰধান ভাৱে বসতি কৰে। আন ঠালৰ কিছু লোকেও ইয়াত বসতি কৰা দেখা যায়।

অইন অইন জনগোষ্ঠীৰ দৰে ৰাভাসকলে বছৰৰ বিভিন্ন সময়ত তেওঁলোকৰ পৰম্পৰাগত উৎসৱ অনুষ্ঠান পালন কৰে। এই উৎসৱসমূহৰ লগত জড়িত হৈ থকা লোকগীত, লোকনৃত্য, লোক পৰিৱেশ্য কলা, লোক কাহিনী আদিত পৰিস্ফুট হৈ আছে ৰাভাসকলৰ সাংস্কৃতিক দিশ।

পাতি ৰাভাসকলৰ মাজত প্ৰচলিত তুকুৰীয়া ওজাপালি —ওজাপালি অনুষ্ঠানৰে এটা অংশ। বিশেষকৈ দক্ষিণ কামৰূপৰ বকো বনগাঁও মৌজাৰ বনগাঁও থানত মাৰৈ (বিষহৰি) পূজাৰ লগতে ৰাইজে সমূহীয়াভাৱে তুকুৰীয়া পূজা কৰে। মাৰৈ পূজাৰ শেষৰ এৰাতি এদিন ধৰি এই পূজা কৰা হয়। এই পূজাৰ লগত সংগতি ৰাখি তুকুৰীয়া ওজাপালি পৰিৱেশন কৰা হয়।

**০.২অধ্যয়নৰ গুৰুত্ব আৰু তাৎপৰ্য**

ৰাভাসকলে অতীতত নীলগিৰি (নীলাচল) পৰ্বতত তুকুৰীয়া (ভগৱতী কামাখ্যা) দেৱীৰ পূজা কৰিছিল আৰু তেতিয়া সেই পূজাৰ সময়ত পূজাৰ থানত স্বৰ্গৰ পৰা স্বয়ং ভগৱতী দেৱীয়ে ছদ্মবেশী বুঢ়ীৰ ৰূপত আবিৰ্ভাৱ হৈ নৃত্য কৰিছিল। দক্ষিণ গোৱালপাৰাৰ হাৱাঘাট অঞ্চলতো ৰাভাসকলে তাহানি কালৰে পৰা যিখন পাহাৰত তুকুৰীয়া গীতেৰে তুকুৰীয়া(ভগৱতী) দেৱীক পূজা কৰি আহিছিল সেইখন পাহাৰেই হ'ল বৰ্তমান টুক্ৰেশ্বৰী পাহাৰ। জনশ্ৰুতি মতে হাৱাঘাটৰ সামন্ত ৰজা হাৱৰা বা হাওৰীয়া ৰাভাৰ কুঁৱৰীয়েও এই পাহাৰত আদ্যশক্তি দেৱীৰ পীঠস্থান আৱিস্কাৰ কৰি তাত টুকুৰীয়া পূজা কৰিছিল। পিছত ঊনৈশ শতিকাৰ মাজভাগৰ পৰাহে ইয়াত হিন্দু নিয়ম নীতিৰে পূজা কৰিবলৈ লয়। ইয়াৰ আগতে টুক্ৰেশ্বৰীৰ পূজাৰী ৰাভাই আছিল; ব্ৰাহ্মণ নাছিল। টুক্ৰেশ্বৰী থানত আগৰ দিনত ৰাভা ভাষাতে গোৱা তুকুৰীয়া গীত ইতিপূৰ্বেই লুপ্ত হৈ গৈছে। পুৰস্কাৰ ঘোষণা স্বত্বেও আজিও এই লুপ্তপ্ৰায় অমূল্য গীতসমূহ উদ্ধাৰৰ প্ৰচেষ্টা সফল নহ'ল।[২] বৰ্তমান দক্ষিণ কামৰূপ আৰু গোৱালপাৰাৰ বিস্তৃত অঞ্চলত বহুতো গীত বা পূজাৰ বিৱৰণ এতিয়াও অনাবিস্কৃত ৰূপত আছে। বৰ্তমান এইবিধ পৰিৱেশ্য কলা অনুষ্ঠানৰ (পাতি ৰাভাসকলৰ) বিস্তৃত অধ্যয়ন এতিয়ালৈকে হোৱা নাই। এই ওজাপালি অনুষ্ঠানৰ বিস্তৃত, পুংখানুপুংখ বিশ্লেষণাত্মক অধ্যয়নৰ অতিকৈ প্ৰয়োজন আছে। পাতি ৰাভা সম্প্ৰদায়ৰ জীৱন্ত পৰম্পৰা এই পৰিৱেশ্য কলা বিধ সাম্প্ৰতিক সময়ত আন আন পৰিৱেশ্য কলাৰ দৰে উচ্চ আসন লাভ কৰাৰ ক্ষমতা নথকা নহয়। গতিকে এই ওজাপালি অনুষ্ঠানৰ যদি আমি

বিজ্ঞানসন্মতভাৱে তথা তথ্যপূৰ্ণ বিশ্লেষণ কৰো, তেতিয়া হ'লে এই বিস্তৃত অধ্যয়নত নতুন দিশ উন্মোচন হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি! সম্প্ৰতি এই অনুষ্ঠানটিৰ অধ্যয়নৰ গুৰুত্ব আছে বুলি আমি ভাবো।

**০.৩ তুকুৰীয়া ওজাপালিৰ এক অধ্যয়ন ঃ**

অসমৰ লোকনাট্যানুষ্ঠানসমূহৰ এটা প্ৰধান ভাগ হৈছে ওজাপালি অনুষ্ঠান। অৰ্ধনাটকীয় সমল বিশিষ্ট ওজাপালি যথাৰ্থতে সৰ্বভাৰতীয় কথকতা পৰম্পৰাৰ প্ৰত্যক্ষ ধাৰক আৰু বাহক। ওজাপালি এক সামাজিক ব্যাপাৰ। ধৰ্মীয় অনুষংগৰ সৈতেহে এইবিধ পৰিৱেশ্য কলা সম্পৃক্ত।[৩]

ওজাপালি অনুষ্ঠানৰ অন্যতম লক্ষ্য কাহিনী কথন। কাহিনী বা আখ্যানৰ সমাদৰ সাৰ্বজনীন আৰু এই সাৰ্বজনীনতাই ওজাপালিৰ জনপ্ৰিয়তা আৰু স্থায়িত্বৰ অন্যতম কাৰণ।[৪]

অসমত প্ৰচলিত ওজাপালি অনুষংগ বিষয়বস্তু আৰু পৰিৱেশনশৈলীৰ ফালৰ পৰা দুটা ভাগত ভাগ কৰা হৈছে— যেনে - (১) মহাকাব্য আশ্ৰয়ী বা মহাকাব্যীয় বা বৈষ্ণৱ অনুষংগৰ সৈতে সম্পৃক্ত ওজাপালি (২) মহাকাব্য অনাশ্ৰয়ী অথবা শাক্ত অনুষংগ অথবা দেৱী পূজাৰ সৈতে জৰিত ওজাপালি।[৫]

ওজাপালি অসমৰ জনজাতীয় সমাজতো প্ৰচলন আছে। অসমত বাস কৰা বড়ো, ৰাভা, গাৰো, হাজং আদি জনগোষ্ঠীৰ মাজত ওজাপালিৰ পৰম্পৰা আজিও চলি আহিছে আৰু তেওঁলোকৰ সমাজত ইয়াৰ জনপ্ৰিয়তা সৰ্বাধিক।[৬] বিশেষকৈ দক্ষিণ কামৰূপ আৰু গোৱালপাৰা জিলাত বাস কৰা পাতি ৰাভাসকলৰ মাজত দুবিধ ওজাপালিৰ প্ৰচলন আছে। সেই দুবিধ হ'ল মাৰে গান আৰু তুকুৰীয়া ওজাপালি।

তুকুৰীয়া পূজা উৎসৱ ৰাভাসকলৰ ঘৰ গোঁসানী পূজাৰেই আদিম পদ্ধতি। এই পূজাত ঘৰ গোসাঁনীক নাৰায়ণী -ভগৱতী দেৱীৰ ৰূপত আৰাধনা কৰা হয়।[৭] দেৱীৰ সহিতে বাই-ভনী, ন-বইনী আৰু ভায়েক এজন। ন-বইনী হৈছে- নাৰায়ণী, ৰাখোৱালী, ঘৰদেৱতী, কাছোকামেৰী, সপুনী, কাচাইখাইতী, নাৰ-বিহুলী, মুৰ বিহুলী আৰু চাকুলী, ভায়েক জনৰ নাম হৈছে হেৰ্‌কাপেটা।[৮] এই দেৱী কেইগৰাকী অসন্তুষ্ট হ'লে বসন্ত, জ্বৰ, গাৰ বিষ, মূৰৰ বিষ আদি নানান বেমাৰ-আজাৰ হয়। ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ এই পূজা কৰা হয়।

প্ৰথমে এই পূজা তুকুৰা নামৰ বুঢ়া এজনে কৰিছিল আৰু তেওঁৰ নাম অনুসৰি এই পূজাৰ নাম তুকুৰীয়া পূজা হ'ল। তুকুৰীয়া পূজাত গোৱা গীতক তুকুৰীয়া গীত আৰু এই পূজাত গোৱা ওজাপালিক তুকুৰীয়া ওজাপালি বোলে।

সম্প্ৰতি সমূহীয়াকৈ আনুষ্ঠানিকভাৱে তুকুৰীয়া পূজাৰ প্ৰচলন কামৰূপ জিলাৰ

বকো বনগাঁও থানৰ বাহিৰে অসমৰ আন কতো দেখা পোৱা নাযায়।[৯] অৱশ্যে সৌ সিদিনালৈকে গোৱালপাৰা জিলাৰ ঠাই বিশেষে এই পূজাৰ প্ৰচলন আছিল বুলি হৰিমোহন সৰকাৰদেৱে তেওঁৰ 'তুকুৰীয়া গীত' নামৰ গ্ৰন্থত উল্লেখ কৰিছে।

এই পূজা জেঠ মাহৰ ১৫ তাৰিখৰ পৰা ২০ তাৰিখৰ ভিতৰত কৰা হয়। বছৰত মাত্ৰ এবাৰ হে এই পূজা কৰা হয়। বাকী সময়খিনিত এই পূজা কৰা নহয়; পূজাৰ নামত কোনো চাকি-বন্তি মন্দিৰত দিয়া নহয়।[১০]

তুকুৰীয়া পূজাত হাঁহ, পাৰ, ছাগলী, গাহৰি আদি বলি দিয়া হয়। তেজ আৰু মূৰটো দেৱতাৰ নামত উছৰ্গা কৰা হয়। বলি দিয়াৰ সময়ত 'দেউৰী' আহে আৰু দেউৰীয়ে বলি সম্পন্ন কৰে। বলিৰ ভাগ ওজা, দেউৰী আৰু দেওধানীয়ে পায়। যিজন ব্যক্তিয়ে দেৱতাৰ নামত বলি আগবঢ়ায় তেওঁলোকে বলিৰ ভাগ নাপায়। বলিৰ মাংস সমূহীয়াভাৱে খোৱা নহয়।[১১]

তুকুৰীয়া ওজাপালিয়ে পূজাত গীত-পদ আবৃত্তি কৰি গায়। ভায়েকৰ সৈতে ন-বইনীৰ জন্ম কাহিনী, সৰগৰ পৰা মৰ্ত্যলৈ লাঙা বুঢ়াৰ আগমন, হেৰ্কাপেটাসহ ঘৰ গোসাঁনীৰ মৰ্ত্ত্যলৈ যাত্ৰা, কাছৰ পিঠিত উঠি যমুনা নদী পাৰ হৈ দক্ষিণ দিশে গমন, আদি কাহিনী বৰ্ণনা কৰে তুকুৰীয়া ওজাপালিয়ে। ইয়াত দুই প্ৰকাৰৰ গীত গায় (১) পূজাৰ গীত আৰু (২) কাহিনীমূলক গীত।[১২]

এই ওজাপালিয়ে কামৰূপী ওজাপালিয়ে গোৱা গীতৰ ঠাঁচতে গীতবোৰ গায়, কিন্তু সুৰ-তাল, লয় আৰু মানৰ পাৰ্থক্য দেখা যায়। তুকুৰীয়া ওজাপালিত এজন ওজা আৰু চাৰি পাঁচজন পালি থাকে।[১৩] বৰ্তমান বাটাকুছীতহে তুকুৰীয়া ওজাপালি আছে। তেওঁলোকৰ ওজা এজন আৰু পালি হ'ল দুজন। ওজা নৰেন ৰাভা আৰু পালি গোবিন্দ ৰাভা আৰু কুঞ্জ ৰাভা। এই তিনিজন ব্যক্তিয়েহে এই পৰম্পৰাগত ওজাপালিক আজিও জীয়াই ৰাখিছে।

তুকুৰীয়া ওজাপালিয়ে বহি গীত গায়। গীত এটি গোৱাৰ শেষত ওজাই গীতৰ অৰ্থ ভাঙি দিয়ে। ওজাপালি গোৱাৰ সময়ত কোনো সাজপাৰ পৰিধান নকৰে। তাল ব্যৱহাৰ কৰে। ঢোলৰ ব্যৱহাৰ নাই। ইয়াত পূজাৰীয়ে হ'ল ওজা।

**০.৪ দেওধনী নাচ বা নৃত্য ঃ**

'মাৰে গান'ত দেওধনী থকাৰ দৰে তুকুৰীয়া ওজাপালিতো দেওধনী থাকে। মাৰে গানৰ দেওধনীৰ দৰে ইয়াত দেওধনী 'দক'ত নপৰে। মাৰৈ পূজাৰ দেওধনীৰ নিচিনাকৈ এই পূজাত দেওধনীয়ে সিমান জকি-পকি নেনাচে। নৃত্যত ফুটি উঠা দেহৰ লয়লাস ভঙ্গিমা অতি মাৰ্জিত আৰু ৰুচিসম্পন্ন। হাত ভৰিৰ মুদ্ৰাত ভক্তি ৰস সঞ্চাৰ হয়। কাহিনীৰ সৈতে সংগতি ৰক্ষা কৰি নৃত্যৰ বিভিন্ন সময়ত চালনি বাতি, বিচনি, বেত, কাচিনি কাপোৰ,

কোমৰ-বান্ধ, তেল-সেন্দূৰ ব্যৱহাৰ কৰে। মুঠতে পূজাত দেওধনীৰ আৱশ্যকতা অপৰিহাৰ্য। পূজাত দেওধনীৰ ভূমিকা তুকুৰীয়া পূজা উৎপত্তিৰ মূল কাহিনীত লুহাই কুহাইৰ ঘৰগোসাঁনী পূজাৰ আৱশ্যকীয় দিহা-পৰামৰ্শ দিয়া বুঢ়ীৰ ছদ্মবেশী নাৰায়ণীৰ ভূমিকাৰ সৈতে ৰিজাব পাৰি। ৰাভাসকলে দেওধনীক দেওধানী বুলি কয়। দেওধনীৰ লগত ঢুলীয়া আৰু কাহিলা (পেঁপা বজোৱা মানুহক কোৱা হয়) লগতে থাকে।[১৪]

তুকুৰীয়া ওজাপালিয়ে গীত পৰিৱেশন কৰাৰ আৰম্ভণিতে এটা সাধু কয়। এই সাধুটো কথাত কয়।

**সাধুটো এনেধৰণৰ ঃ**

এখন দেশত তুকুৰা নামৰ বুঢ়া এজন আছিল। তেওঁৰ ল'ৰা দুজন লুহাই আৰু কুহাই। বুঢ়াৰ ঘৈণীয়েক নাই। বুঢ়াই জীৱিত কালত ঘৰ গোসাঁনী বা নাৰায়ণী পূজা কৰিছিল। এই পূজা আৰম্ভ কৰাত তেওঁৰ ধনে ধানে ভৰপূৰ হ'ল। বয়স বাঢ়ি যোৱাৰ লগে লগে কাম-বন কৰিব নোৱাৰা হ'লত এদিন পুতেক দুজনক মাতি আনি ক'লে— "তহঁতৰ লগত এটা ডাঙৰ কথা আছে। কালি গধূলি কথা পাতিম।" বুঢ়াই পুতেক দুজনক মাতি গধূলি তিনিওটা উধানৰ নিচিনা বহি আলোচনা কৰে। বুঢ়াই পুতেক দুজনক ক'লে— "মই মৰি যোৱাৰ পিছত 'গোধাইযম' নগৰত যাবি"। এনেদৰে কোৱাৰ পিছত বুঢ়া ঢুকাল।

তুকুৰা বুঢ়া ঢুকোৱাৰ পিছত ঘৰখনত বিপদে লগ এৰা নিদিয়া হ'ল। আজি এটা গৰু, কালি এটা ছাগলী মৰি শেষ হ'ব ধৰিলে। ইপিনে লুহাই আৰু কুহাইৰ আৰ্থিক অৱস্থা দিনক দিনে বেয়াৰ ফালে ঢাল খাব ধৰিলে। এদিন দুয়ো আলোচনা কৰাত কুহাই লুহাইক ক'লে যে, বাপেকৰ মৃত্যুৰ পিছত সিহঁতে ঘৰ গোসাঁনীক পূজা নকৰাৰ ফলতেই নিশ্চয় সিহঁতৰ সা-সম্পত্তি হ্ৰাস পাই আহিছে। কুহাইৰ কথাত লুহাই সন্মত হ'ল আৰু ঘৰ গোসাঁনীক পূজা কৰাটোকে দুয়ো ঠিৰাং কৰিলে। এনেদৰে এদিন দুয়ো পূজাৰ প্ৰয়োজনীয় গাহৰি ১টা, কুকুৰা ২৪টা, পাৰ চৰাই ৪টা, হাঁহ ৩টা, জোঙা মদ ১খন, মদ খোৱা মৰী ৫টা, মাটিৰ চৰু ১২টা, তামোল-পান, আঠিয়া কল, ধূপ- ধূনা, তেল-সেন্দূৰ, চাউল, পিঠাগুৰি, কাৰেগুৰা, তুলসী পাত, পচলা আদি সকলো যোগাৰ কৰি লৈ ৰাতিপুৱা ভাত-পানী খাই দুয়ো পাহাৰৰ মাজেৰে খোজ কাঢ়ি গোধাইযম নগৰলৈ ৰাওনা হ'ল।[১৫]

গোধাইযম নগৰত উপস্থিত হৈ দেখিলে যে তাত চৰাই-চিৰিকতিৰ মাত শুনিব পোৱা নাই। এখন পাহাৰৰ মাজত নিৰ্জন এখন ঠাই। দুয়ো ইফালে-সিফালে চাই এজোপা প্ৰকাণ্ড ধোপ গছৰ তলত ধুনীয়াকৈ চাফা কৰি মাটিৰে লিপি লৈ পূজা কৰাৰ কাৰণে উপযুক্ত কৰি ল'লে। পূজাৰ থাপনা পাতি লৈ প্ৰয়োজনীয় পূজাৰ উপকৰণ আগবঢ়াই ভগৱানক প্ৰাৰ্থনা কৰিব ধৰিলে। এনেদৰে সাতদিন সাতৰাতি পূজা সেৱা কৰি দেৱ-দেৱীসকলৰ আহ্বান কৰি থাকিল। কিন্তু দেৱ-দেৱীসকল অহাটো দূৰৰ কথা সাত দিনত

এটা পিপৰাও তালৈ নাহিল। দুয়ো হতাশ হৈ কান্দিব ধৰিলে। বাপেকৰ পৰা শিকা মন্ত্ৰ-গীতবোৰেই ভুল হ'ল নেকি বুলি চিন্তা কৰিব ধৰিলে। পিছত দুয়ো ক'লে যে আমাৰ ভাগ্য বেয়া যাৰ কাৰণে কোনো দেৱ-দেৱী লগতে এটা প্ৰাণীও পূজা খাবলৈ নাহিল। দুয়ো দুখত গোটেইখিনি বস্তু ভাৰ বান্ধি লৈ পুনৰ ঘৰাভিমুখে ৰাওনা হ'ল।

সিহঁত বহুদূৰ বাট বুলি ভাগৰ লগাত এজোপা গছৰ ছাঁত জিৰণি ল'বৰ বাবে বহিল। এনেতে দূৰৈত এজনী লুৰথুৰীয়া বুঢ়ী টোকন ধৰি সিহঁতৰ ফালে আহিব ধৰা দেখা পালে। সেই লুৰথুৰীয়া বুঢ়ী আছিল নাৰায়ণীৰ ছদ্মবেশ। বুঢ়ীয়ে সিহঁতৰ কাষ পাই ওচৰতে বহি কথা পাতিব ধৰিলে। বুঢ়ীয়ে সুধিলে - "নাতিহঁত ক'ত গৈছিলা হে?" সিহঁতে ক'লে, - "আমি গোধাইযম নগৰত আই নাৰায়ণীক পূজা কৰিব গৈছিলো; কিন্তু সাত ৰাতি সাত দিন সুতৰণ (আৰাধনা) কৰিও কোনো দেৱ-দেৱীৰ সঁহাৰি নাপালো। বুঢ়ীয়ে ক'লে,- "এই নাতিহঁত কিবা ভুল কৰিছা নেকি? চো চো মুই তহাৰ লগতে সেইখিনি জাগাত যাং"। তিনিও আকৌ গোধাইযম নগৰলৈ যাত্ৰা কৰিলে। ঠাইখিনি পাই সিহঁতক ভালদৰে ভৰি-হাত ধুই আহিব ক'লে আৰু বুঢ়ীয়ে পূজাৰ নিয়ম দেখুৱাই দিব ধৰিলে। বুঢ়ীৰ পৰামৰ্শ মতে নতুন উৎসাহ উদ্যমেৰে পূজাৰ উপকৰণ আগবঢ়াই দেৱতাসকলক সুতৰণ কৰিব ধৰিলে আৰু বুঢ়ীও সিহঁতৰ লগতে থাকি হিয়া উবুৰিয়াই নাচিব ধৰিলে। সিহঁতে পূজাৰ মন্ত্ৰ গীতৰ অৰ্থ বুঢ়ীক সুধি গ'ল আৰু বুঢ়ীও মন্ত্ৰ গীতৰ আদ্যোপান্ত সকলো অৰ্থ ভাঙি দিলে। পূজা শেষ হ'লত বুঢ়ীও সেই ঠাইৰ পৰা অন্তৰ্ধান হ'ল।[১৬] সাধুটো শেষ হোৱাৰ পিছত ওজাই নাৰায়ণীক আৰাধনা কৰে।

**০.৫ সাংগীতিক দিশ ঃ**

তুকুৰীয়া ওজাপালিৰ সংগীত শৈলীত চাৰিটা সাংগীতিক স্তৰ দেখিবলৈ পোৱা যায় বুলি নবীন চন্দ্ৰ শৰ্মাই 'অসমৰ পৰিৱেশ্য কলা ওজাপালি' গ্ৰন্থত উল্লেখ কৰিছে। যেনে - (ক) আৰম্ভণি, (খ) মংগলাচৰণ বা বন্দনা, (গ) পদ আবৃত্তি আৰু (ঘ) সমাপ্তি।

**(ক) দেৱ-দেৱীক সুতৰণ বা আহ্বান কৰা স্তৰটিয়ে হ'ল আৰম্ভণি।**

সুতৰণ বা আহ্বান
হ'বকো হ'বকো কৰে গোসানীৰে।
সবাকো মাতং পালা পালা।
সবাকো যায় তাৰা।
আহিবাও লাগে জাপ জাপ।
যাবাকো লাগে জাপ জাপ।।
ঘৰ দেৱতী সবাকো গোসানীৰে।।
সৰস্বতী সবাকো গোসানীৰে।

আই নাৰায়ণী সবাকো গোসানীৰে।
গুৰু গোসাই সবাকো গোসানীৰে।।
ৰথৱালী সবাকো গোসানীৰে।
শুপনি সবাকো গোসানীৰে।
ন-বইনি সবাকো গোসানীৰে।
হেৰ্কাপেটা সবাকো গোসানীৰে।
লাঙাবুঢ়া সবাকো গোসানীৰে।
লাঙিবুঢ়ী সবাকো গোসানীৰে।
চন্দনা পুৰুষ সবাকো গোসানীবে।
যজ্ঞ শাল সবাকো গোসানীৰে।
বৰ দাইনী সবাকো গোসানীৰে।
যশ যশিনী সবাকো গোসানীৰে।
বিৰা-বিৰাণী সবাকো গোসানীৰে।
জল কুবেৰ সবাকো গোসানীৰে।
ধন কুবেৰ সবাকো গোসানীৰে।
ডেকা চাং সবাকো গোসানীৰে।
নাচনী শিলা সবাকো গোসানীৰে।
খাটিৰা জাৰা সবাকো গোসানীৰে।
বগাই বুঢ়া সবাকো গোসানীৰে।
কাচাইখাইতি সবাকো গোসানীৰে।
চৰিখা কামাখ্যা সবাকো গোসানীৰে।
বুঢ়া গোসাই সবাকো গোসানীৰে।
ধৰ্ম ৰাজা সবাকো গোসানীৰে।
কৰ্ম ৰাজা সবাকো সবাকো গোসানীৰে।[১৬]

**(খ) মংগল চৰণ বা বন্দনা ঃ**

এই স্তৰত তুকুৰীয়া ওজাপালিয়ে সৰস্বতী দেৱীৰ বন্দনা বিষয়ক গীত গায়।

বন্দনা

সৰস্বতী মাতিলুং আই অ' আই।
মোৰ আই এ, কিবা বুলি মাতিলুং
ধনমালা পাতিলুং
মোৰ আই গোসানী এ হে।।

তালতে আৰো খাতে
মাওনা সৰস্বতী এ হে।।
বেনুতে আৰো খাতে
লাওতে আৰো খাতে
মুখতে আৰো খাতে।
গুঞ্জৰে ভোমোৰা আই এ।[১৭]

**(গ) পদ আবৃত্তি ঃ**

এই স্তৰত ন-বইনি আৰু হেৰ্‌কাপেটাৰ জন্ম আৰু মৰ্ত্যত তেওঁলোকৰ পূজা লাভ সম্পৰ্কীয় গীত গোৱা হয়। তুকুৰীয়া ওজাপালিয়ে এনেদৰে গায়-

গীত
বিহ চল্ চল্ কৰে নাৰায়ণীৰে
বিহ জন্‌মিল গা'ৱে
কোন দুৱাৰে বাইৰ হ'ম নাৰায়ণীৰে।।
মূৰ ফুটি বাইৰ হ'ম
মূৰ বিহলি বুলিব।
কপাল ফুটি বাইৰ হ'ম
কপাল বিহলি বুলিব।
মুখ ফুটি বাইৰ হ'ম
মুখ বিহলি বুলিব।
গল ফুটি বাইৰ হ'ম
গল বিহলি বুলিব।
বুক ফুটি বাইৰ হ'ম
বুক বিহলি বুলিব।
বাহু ফুটি বাইৰ হ'ম
বাহু বিহলি বুলিব।
পেট ফুটি বাইৰ হ'ম
হাৰিয়া বিহলি বুলিব।
কোমৰ ফুটি বাইৰ হ'ম
কোমৰ বিহলি বুলিব।
ফেৰা ফুটি বাইৰ হ'ম
ফেৰা বিহলি বুলিব।

আঠু ফুটি বাইৰ হ'ম
আঠু বিহলি বুলিব। [১৮]

**(ঘ) সমাপ্তি ঃ** সমাপ্তি বা সামৰণিত গীত পদ আবৃত্তিৰদ্বাৰা দেৱ-দেৱীক বিদায় দিয়া হয়। গীতটিত দেৱ-দেৱীক আপোন থানে থানে যাবলৈ অনুৰোধ জনায়।

গীত
গাই আহিলং বাই আহিলুং
গাই আহিলুং গীত।
ধৰ্ম্মদেউ যাওহে আপোনাৰ থানে।
আই নাৰায়ণী যাওহে আপোনাৰ থানে।
ঘৰদেৱতী যাওহে আপোনাৰ থানে।
ন-বইনি যাওহে আপোনাৰ থানে।
হেৰ্কা পেটা যাওহে আপোনাৰ থানে।
লাঙাবুঢ়া যাওহে আপোনাৰ থানে।[১৯]

এনেদৰে পূজাৰ সমাপ্তি ঘটে। তুকুৰীয়া ওজাপালিৰ গীত ৰাগ প্ৰধান নহয়, সুৰ প্ৰধান হে।

**০৬ পৰিৱৰ্তন ঃ**

সময়ৰ অগ্ৰগতিৰ লগে লগে কেতিয়াবা জীৱন্ত পৰম্পৰাতো পৰিৱৰ্তনে দেখা দিয়ে। পাতি ৰাভাসকলৰ মাজত প্ৰচলিত তুকুৰীয়া ওজাপালি সামগ্ৰিকভাৱে জীৱন্ত পৰম্পৰা হ'লেও ইয়াৰ দেহত আধুনিকতাই আঘাত নকৰাকৈ থকা নাই। এসময়ত দক্ষিণ কামৰূপ আৰু গোৱালপাৰা জিলাৰ পাতি ৰাভাসকলৰ মাজত জীৱন্ত অনুষ্ঠান ৰূপে প্ৰচলন আছিল; কিন্তু বৰ্তমান এই পৰিৱেশ্য কলা অকল কামৰূপ জিলাৰ বকো অঞ্চলতহে কোনোমতে জীয়াই আছে। ৰাভা সমাজত বৰ্তমান সময়ৰ আহ্বানক আদৰি ল'ব লগা হৈছে। যাৰ কাৰণে কিছু আমি এৰিছোঁ আৰু কিছু গ্ৰহণও কৰিছোঁ। কিন্তু সেইবুলি এইটোও নুবুজায় যে ৰাভাসকলে মূল সুঁতিৰ পৰা আঁতৰি আহিছে। এটা জাতিৰ বিকাশ সেই জাতিৰ পৰম্পৰাৰ মাজতেই গঢ় লৈ উঠে। কাৰণ পৰম্পৰাৰ লগত জড়িত হৈ আছে এটা জাতিৰ কলা-সংস্কৃতি, খাদ্যাভ্যাস, জীৱন-প্ৰণালী আদি। যিমান দিনলৈ নিজৰ পৰিচয় বহন কৰাৰ ক্ষমতা থাকিব সিমান দিনলৈকেথাকিব জীৱনক মূল্য দিব পৰা ক্ষমতা।

সময় আৰু সমাজ ব্যৱস্থাৰ পৰিৱৰ্তনে মানুহৰ মন-মগজুত আধুনিক চিন্তাধাৰাই আমূল পৰিৱৰ্তন আনিছে। যান্ত্ৰিক সমাজ ব্যৱস্থাত ক্ৰমাগতভাৱে হোৱা বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বিকাশৰ লগতে মানুহৰ চিন্তাধাৰাৰ তথা ৰুচিবোধৰ ব্যাপক পৰিৱৰ্তনৰ ফলত পৰম্পৰাগতভাৱে চলি অহা লোক কলা, লোক-সংস্কৃতিৰ প্ৰতি থকা আগ্ৰহ আৰু

জনপ্ৰিয়তা লোপ পাবলৈ লৈছে। বিশেষকৈ আমি জনাত এই তুকুৰীয়া ওজাপালিৰ প্ৰচাৰ আৰু প্ৰসাৰ দূৰদৰ্শন কিম্বা অনাতাঁৰ কেন্দ্ৰৰ জৰিয়তে প্ৰচেষ্টা চলোৱা হোৱা নাই যেন লাগে। বৰ্তমান কিছুসংখ্যক ৰাভা সাহিত্যিক, গৱেষকৰ ঐকান্তিক প্ৰচেষ্টাত বৈজ্ঞানিক দৃষ্টিভংগীৰে ভালেখিনি গৱেষণাধৰ্মী চিন্তা-চৰ্চা হৈছে যদিও এতিয়াও সমাজত কৰণীয় যথেষ্ট আছে। এনে পৰম্পৰাগত লোক পৰিৱেশ্য কলাক ভৱিষ্যতলৈ সংৰক্ষণ কৰা লগতে ৰাভা লোক সংস্কৃতিৰ পৰম্পৰা অক্ষুণ্ণ ৰখাটোও সিমানে অতি গুৰুত্বপূৰ্ণ।

তুকুৰীয়া ওজাপালি এতিয়াও পৰিশীলিত ৰূপ পোৱা নাই। বৰ্তমান পাতি ৰাভা সমাজত এই বিধ পৰিৱেশ্য কলাৰ অৱস্থা বৰ দুৰ্বল বুলিয়ে কব লাগিব। এতিয়াও অকল পাতিৰাভাসকলৰ মাজতহে পৰিব্যাপ্ত হৈ আছে। এই পৰিৱেশ্য কলাবিধক উপযোগী কৰাৰ কাৰণে এদল দৰ্শক সৃষ্টি কৰিব পাৰিব লাগিব আৰু সেই দৰ্শক বা ৰাইজৰ মাজত জীয়াই ৰখাৰ বাবে বিভিন্ন কৰ্মশালাৰ জৰিয়তে সজাগতা আনিব পাৰিব লাগিব। এনেকুৱা লাগে বৰ্তমানৰ ওজা আৰু পালিকেইজনৰ মৃত্যুৰ পিছত এই কলা আমাৰ মাজত যেন ইতিহাস হৈ ৰ'ব। বৰ্তমান আজিৰ নৱ প্ৰজন্মৰ বহুত দায়িত্ব আৰু কৰণীয় আছে। তেওঁলোকে ইয়াক হৃদয়ংগম কৰিব লাগিব। তুকুৰীয়া ওজাপালিৰ ওজা আৰু পালিসকলক এটা সীমাবদ্ধতাৰ আওতাত ৰাখি পৰিৱৰ্তন সাধিব লাগিব। বৰ্তমান বিশ্বায়নৰ যুগত পৃথিৱীৰ সকলো জাতিৰ নৃত্য গীত, সহজে উপভোগৰ উপলব্ধ হৈ পৰিছে। সময়ে সময়ে প্ৰশিক্ষণৰ ব্যৱস্থা কৰি পাৰদৰ্শী গুৰুৰ অধীনত শিক্ষা দিয়াৰ প্ৰচেষ্টা হাতত ল'ব লাগিব লগতে বিভিন্ন অনুষ্ঠানত আমন্ত্ৰণ কৰি তেওঁলোকক এই কলা বিধৰ পৰিৱেশনৰ ব্যৱস্থা কৰি দিব লাগিব। আমি দেখিবলৈ পাওঁ যে, পৰিৱেশ্য কলাৰ ধাৰক আৰু বাহকসকল অতি পিছপৰা গাঁও অঞ্চলত বসবাস কৰে আৰু তেওঁলোক আৰ্থিকভাৱেও দুৰ্বল। এই ক্ষেত্ৰত চৰকাৰ অথবা স্থানীয় ৰাজনৈতিক দলসমূহে ধাৰক আৰু বাহকসকলক আৰ্থিক দিশত কিছু সকাহ দিলে অথবা চৰকাৰী শিল্পী পেঞ্চনৰ ব্যৱস্থা কৰিলে এই কলাৰ প্ৰতি উৎসাহ বাঢ়িব।

**সামৰণি ঃ**

লোক নাট্যানুষ্ঠানসমূহ লোক সমাজৰ দাপোণ স্বৰূপ। লোক সংস্কৃতিৰ সম্পদসমূহ কোনো এটা জাতিৰ আপুৰুগীয়া সম্পদ, স্বকীয় পৰিচয় ইয়াৰ মাজতে লুকাই থাকে। লোক সংস্কৃতিৰ সম্পদক ভালকৈ সংৰক্ষণ আৰু পৰিৱৰ্দ্ধন কৰিব নোৱাৰিলে জাতীয় ভেঁটি ভাঙি যোৱাৰ সম্ভাৱনা থাকে। বৰ্তমান পাতি ৰাভাসকলৰ মাজত প্ৰচলিত তুকুৰীয়া ওজাপালিৰ বহুল প্ৰচাৰ আৰু প্ৰসাৰ হোৱা নাই। এই গৱেষণা পত্ৰখনত ইয়াৰ পৰিৱৰ্তনৰ সম্যক ধাৰণা এটা দিয়া হৈছে। এই পৰিৱেশ্য কলাক লৈ সম্পূৰ্ণ একাত্মকভাৱে গৱেষণা নোহোৱা যেন লাগে। আমাৰ মতে আগ্ৰহী গৱেষকে এই কলাবিধক লৈ সম্পূৰ্ণ শুদ্ধ এখন গৱেষণা গ্ৰন্থ প্ৰস্তুত কৰিলে ৰাভা জনগোষ্ঠীৰ লগতে অসমীয়া লোক সংস্কৃতিৰ ভঁৰাল টনকিয়াল হ'ব লগতে নৱ প্ৰজন্মও এই কলাৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰিব।

**পাদটীকা ঃ**

১ ৰাভা, ৰাজেন ঃ ৰাভা জনজাতি, পৃষ্ঠা-১(ভূমিকা)
২ ৰাভা, ধনঞ্জয় ঃ ৰাভা জনজাতিৰ চমু ইতিহাস, পৃষ্ঠা-৮৬
৩ শৰ্মা, নবীন চন্দ্ৰ ঃ অসমৰ পৰিৱেশ্য কলা ওজাপালি (অৱতৰণিকা)
৪ শৰ্মা, নবীন চন্দ্ৰ ঃ প্ৰাগুক্ত গ্ৰন্থ - অৱতৰণিকা।
৫ শৰ্মা, নবীন চন্দ্ৰ ঃ প্ৰাগুক্ত গ্ৰন্থ- অৱতৰণিকা।
৬ শৰ্মা, নবীন চন্দ্ৰ ঃ প্ৰাগুক্ত গ্ৰন্থ - অৱতৰণিকা।
৭ সৰকাৰ, হৰিমোহন ঃ তুকুৰীয়া গীত, ভূমিকা
৮ ৰাভা, ভূবিন ঃ ৰাভা জনজাতি আৰু সংস্কৃতিৰ আভাস, পৃষ্ঠা-৭২
৯ ৰাভা, ভূবিন ঃ প্ৰাগুক্ত গ্ৰন্থ - ভূমিকা।
১০ সংবাদ দাতা ঃ নৰেন ৰাভা, বাটাকুছী, বয়স-৭০
১১ উক্ত সংবাদ দাতা।
১২ ৰাভা, ভূবিন ঃ প্ৰাগুক্ত গ্ৰন্থ , পৃষ্ঠা- ৭৪
১৩ সৰকাৰ, হৰিমোহন ঃ তুকুৰীয়া গীত, ভূমিকা।
১৪ উক্ত সংবাদ দাতা।
১৫ উক্ত সংবাদ দাতা।
১৬ সৰকাৰ, হৰিমোহন ঃ প্ৰাগুক্ত গ্ৰন্থ , পৃষ্ঠা- ৪
১৭ সৰকাৰ, হৰিমোহন ঃ প্ৰাগুক্ত গ্ৰন্থ , পৃষ্ঠা- ৫
১৮ সৰকাৰ, হৰিমোহন ঃ প্ৰাগুক্ত গ্ৰন্থ , পৃষ্ঠা- ৬
১৯ সৰকাৰ, হৰিমোহন, প্ৰাগুক্ত গ্ৰন্থ, পৃষ্ঠা- ৩৬

**গ্ৰন্থপঞ্জী ঃ**

১।ৰাভা, ৰাজেন ঃ ৰাভা জনজাতি, বীণা লাইব্ৰেৰী, গুৱাহাটী (১৯৭৪)।
২।ৰাভা, ধনঞ্জয় ঃ ৰাভা জনজাতিৰ চমু ইতিহাস (১৯৯৮), বহ্নিমান প্ৰিণ্টছ, গুৱাহাটী।
৩।ৰাভা, ভূবিন ঃ ৰাভা জনজাতি আৰু সংস্কৃতিৰ আভাস (২০১২), প্ৰদীপ ৰাভা।
৪।শৰ্মা, নবীন চন্দ্ৰ ঃ অসমৰ পৰিৱেশ্য কলা ওজাপালি (১৯৯৬), বাণী প্ৰকাশ, গুৱাহাটী- ১।
৫। সৰকাৰ, হৰিমোহন ঃ তুকুৰীয়া গীত (১৯৭০), উপকূল, ধূপধৰা, প্ৰথম প্ৰকাশ, গোৱালপাৰা।
৬।সংবাদ দাতা ঃ নৰেন ৰাভা, বাটাকুছী, বয়স-৭০।